NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 2-**12-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তিনিখন নতুন ফৌজদাৰী আইনৰ অগ্ৰগতিৰ বুজ লোৱাৰ উদ্দেশ্যে কাইলৈ ছণ্ডিগড়লৈ যাব।

২। বিৰোধীয়ে সৃষ্টি কৰা হুলস্থূলীয়া পৰিৱেশৰ বাবে আজি পঞ্চম দিনৰ বাবে সংসদৰ উভয় সদন কামকাজ স্থগিত ৰাখিবলগীয়া হয়।

৩। চেন্নাইত অহা ৪ ডিচেম্বৰৰ পৰা ৬ ডিচেম্বৰলৈ তিনি দিনীয়া কাৰ্যসূচীৰে চলিত বৰ্ষত বিশ্ব সামুদ্ৰিক সন্মিলন অনুষ্ঠিত হ'ব।

৪। দেশত যোৱা পহিলা নৱেম্বৰলৈ ঘৰুৱা ৰন্ধন গেছৰ গ্ৰাহকৰ সংখ্যা ৩২ কোটি ৮৩ লাখ হৈছে।

*আৰু*

৫। ওমানৰ মাস্কটত চলি থকা পুৰুষৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ছেমিফাইনেল কাইলৈ ভাৰত আৰু মালয়েছিয়াৰ মাজত অনুষ্ঠিত হ'ব।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তিনিখন নতুন ফৌজদাৰী আইনৰ অগ্ৰগতিৰ বুজ লোৱাৰ উদ্দেশ্যে কাইলৈ ছণ্ডিগড়লৈ যাব। দেশৰ ফৌজদাৰী ন্যায় ব্যৱস্থাক শক্তিশালী কৰাৰ উদ্দেশ্যে এই আইন কেইখনৰ সংশোধন কৰা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও কাইলৈ ছণ্ডিগড়লৈ যোৱাৰ সম্ভাৱনা আছে। অনুষ্ঠানত আৰক্ষীয়ে এই নতুন আইন কেইখন ৰূপায়ণ হোৱাৰ পিছত আইন প্ৰণয়ন, ন্যায়িক ব্যৱস্থা আৰু সাক্ষী ব্যৱস্থাত অহা সংস্কাৰ সমূহক দৰ্শোৱাৰ বাবে এটা পোনপটীয়া প্ৰদৰ্শনীৰ ব্যৱস্থা কৰিব।

০০০০০০০০

এটা ব্যৱসায়িক গোষ্ঠীৰ বিৰুদ্ধে উপঢৌকন লোৱাৰ অভিযোগত আৰু উত্তৰ প্ৰদেশৰ সম্ভলৰ হিংসাৰ বিষয়ত বিৰোধীয়ে কৰা হুলস্থূলীয়া পৰিবেশৰ বাবে আজি পঞ্চম দিনৰ বাবেও উভয় সদনৰ কামকাজ স্থগিত ৰাখিবলগীয়া হয়। প্ৰথমবাৰ লোকসভাৰ কাম-কাজ স্থগিত ৰখাৰ পাছত সদন পুনৰ মিলিত হোৱাত কংগ্ৰেছ, সমাজবাদী পাৰ্টী, ডি এম কে আৰু আন দলৰ সাংসদসকলে অধ্যক্ষৰ আসনৰ ওচৰলৈ গৈ শ্লোগান দিবলৈ আৰম্ভ কৰে। হুলস্থূলীয়া পৰিৱেশৰ মাজতে জাহাজ পৰিবহন বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে উপকূলীয় জাহাজ পৰিবহন বিধেয়ক ২০২৪ উত্থাপন কৰে। কিন্তু প্ৰীজাইডিং বিষয়াই বিৰোধীয়ে বিভিন্ন বিষয় সন্দৰ্ভত দাখিল কৰা স্থগিতাদেশৰ প্ৰস্তাৱ নাকচ কৰে। তেওঁ বাৰে বাৰে বিৰোধীক নিজৰ আসন গ্ৰহণ কৰিবলৈ অনুৰোধ জনায় যদিও নেতাসকলে কোনো সঁহাৰি নজনোৱাত দিনটোৰ কামকাজ স্থগিত ৰখা হয়।

ইয়াৰ পূৰ্বে পুৰা সংসদ মিলিত হোৱাৰ পাছতে বিৰোধী পক্ষৰ সাংসদসকলে মণিপুৰৰ পৰিস্থিতিকে ধৰি বিভিন্ন বিষয় আলোচনা কৰিবলৈ দাবী জনাই পৰিস্থিতি উত্তাল কৰি তোলে। অধ্যক্ষ ওম বিৰলাই প্ৰশ্নকাল চলাই নিবলৈ চেষ্টা কৰে যদিও বিৰোধী পক্ষৰ নেতাসকলে অবিৰতভাৱে শ্লোগান দি থাকে।

ৰাজ্যসভাতো বিৰোধী পক্ষৰ সাংসদসকলে উত্থাপন কৰা সভাস্থগিত প্ৰস্তাৱ সভাপতি জগদীপ ধনখড়ে নাকচ কৰে। সদন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ সভাপতি ধনখড়ে সদস্যসকলক আহ্বান জনায় যদিও হুলস্থূলীয়া পৰিবেশৰ বাবে সদন প্ৰথমে দিনৰ ১২ বজা আৰু তাৰ পাছত দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। দুয়োখন সদন কাইলৈ পুনৰ ১১ বজাত মিলিত হ'ব।

oooooooo

সংসদৰ চলিত শীতকালিন অধিৰেশনৰ অচলাৱস্থা দূৰ কৰাৰ উদ্দেশ্যে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি সংসদ ভৱনত বিভিন্ন দলৰ সাংসদসকলৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত শ্ৰী বিৰলাই সাংসদসকলক সংসদৰ কামকাজ যাতে নিয়াৰিকৈ চলাই নিব পৰা যায় তাৰ বাবে সহযোগিতা আগবঢ়োৱাৰ আহ্বান জনায়। সকলো সদস্যই অধ্যক্ষ শ্ৰী বিৰলাক লোকসভাৰ কামকাজ সুচাৰুৰূপে চলাই নিয়াৰ আশ্বাস প্ৰদান কৰে।

কংগ্ৰেছৰ গৌৰৱ গগৈ, তৃণমূল কংগ্ৰেছৰ কল্যাণ বেনাৰ্জী, টিডিপিৰ লভু শ্ৰী কৃষ্ণ দেৱাৰায়ালু, ডি এম কেৰ টি আৰ বালু, এন চি পিৰ সুপ্ৰিয়া চুলে, সমাজবাদী পাৰ্টীৰ ধৰ্মেন্দ্ৰ যাদৱ, জে ডি ইউৰ ডিলেশ্বৰ কামাইটকে ধৰি কেইবাগৰাকীও নেতাই এই বৈঠকত উপস্থিত থাকে। বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কয়, যে সংবিধানৰ বিষয় সন্দৰ্ভত লোকসভাত অহা ১৩ আৰু ১৪ ডিচেম্বৰত এটা বিশেষ আলোচনা অনুষ্ঠিত হ'ব। আন হাতে ৰাজ্যসভাত এই বিষয় সন্দৰ্ভত ১৬ আৰু ১৭ ডিচেম্বৰত আলোচনা কৰা হ'ব।

oooooooo

চেন্নাইত অহা ৪ ডিচেম্বৰৰ পৰা ৬ ডিচেম্বৰলৈ তিনি দিনীয়া কাৰ্যসূচীৰে চলিত বৰ্ষত বিশ্ব সামুদ্ৰিক সন্মিলন অনুষ্ঠিত হ'ব। সন্মিলনত জাহাজ পৰিবহন বিভাগৰ সঞ্চালক প্ৰধান শ্যাম জগন্নাথ সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। এই সন্মিলনত আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন বক্তা আৰু বিশেষজ্ঞই গোলকীয় সামুদ্ৰিক প্ৰেক্ষাপটৰ ভৱিষ্যৎ সন্দৰ্ভত আলোচনা কৰিব। আমেৰিকা যুক্তৰাষ্ট্ৰ, ব্ৰিটেইন, জাৰ্মানী, স্পেইন, এছিয়াৰ প্ৰশান্ত মহাসাগৰীয় ৰাষ্ট্ৰসমূহে এই আলোচনাত ভাগ ল'ব। উল্লেখযোগ্য যে ভাৰতত সুদীৰ্ঘ ১৫ বছৰৰ পিছত এই সন্মিলনৰ আয়োজন কৰা হৈছে। সামুদ্ৰিক ক্ষেত্ৰখনৰ বিভিন্ন প্ৰত্যাহ্বান সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে সন্মিলনত সমগ্ৰ বিশ্বৰ ৩০০ তকৈও অধিক প্ৰতিনিধিয়ে ভাগ ল'ব।

oooooooo

বিজেপিয়ে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমন আৰু গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰুপানিয়ে মহাৰাষ্ট্ৰত নেতা নিৰ্বাচন কৰাৰ ক্ষেত্ৰত বিধায়িনী দলৰ বৈঠকৰ কেন্দ্ৰীয় পৰ্যৱেক্ষক হিচাপে নিযুক্তি দিছে। তেওঁলোকে বিজেপিৰ বিধায়িনী দলৰ নেতা নিৰ্বাচনী প্ৰক্ৰিয়া পৰ্যৱেক্ষণ কৰিব। বিজেপি সংসদীয় ব'ৰ্ডে তেওঁলোকৰ নিযুক্তিত অনুমোদন জনাইছে। উল্লেখযোগ্য যে মহাৰাষ্ট্ৰৰ নতুন চৰকাৰখনে অহা বৃহস্পতিবাৰে শপত ল'ব। বিজেপি

নেতৃত্বাধীন মহাযুটী মিত্ৰজোঁটে শেহতীয়াকৈ অনুষ্ঠিত মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনত অভূতপূৰ্ব বিজয় সাবস্ত কৰিছে। ১৩২ খন আসনত জয়লাভ কৰি বিজেপিয়ে ২৮০ খন আসনযুক্ত মহাৰাষ্ট্ৰ বিধানসভাৰ নিৰ্বাচনত সৰ্ববৃহত দল হিচাপে পৰিগণিত হৈছে।

oooooooo

ভাৰতে কয়, যে আগৰতলাত থকা বাংলাদেশৰ সহ উচ্চায়ুক্তৰ কাৰ্যালয়ৰ চৌহদত সংঘটিত হিংসাত্মক ঘটনা অতি দুখজনক। বিদেশ পৰিক্ৰমা মন্ত্ৰ্যালয়ে এটা বক্তব্যত কৈছে যে, কোনো পৰিস্থিতিত কূটনৈতিক আৰু বাণিজ্য দূতাবাসৰ সা-সম্পত্তিক লক্ষ্য কৰি লোৱা উচিত নহয়। মন্ত্ৰ্যালয়ে লগতে কৈছে যে, ভাৰত চৰকাৰে নতুন দিল্লীত থকা বাংলাদেশৰ উচ্চায়ুক্ত আৰু দেশৰ বিভিন্ন স্থানত থকা তেওঁলোকৰ উপ আৰু সহ উচ্চায়ুক্তৰ কাৰ্যালয়ত পৰ্যাপ্ত নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰিছে।

oooooooo

দেশত যোৱা পহিলা নৱেম্বৰলৈ ঘৰুৱা ৰন্ধন গেছৰ গ্ৰাহকৰ সংখ্যা ৩২ কোটি ৮৩ লাখ হৈছে। ইয়াৰ ভিতৰত প্ৰধানমন্ত্ৰী উজ্বলা যোজনাৰ ১০ কোটি ৩০ লাখ হিতাধিকাৰী আছে। ৰাজ্যসভাত দিয়া এটা লিখিত প্ৰশ্নৰ উত্তৰত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ ৰাজ্য মন্ত্ৰী সুৰেশ গোপীয়ে কয়, যে প্ৰধানমন্ত্ৰী উজ্বলা যোজনা ৰূপায়ণ কৰা ফলত দেশত ঘৰুৱা ৰন্ধন গেছৰ ব্যৱহাৰ ২০১৬ চনৰ ৬২ শতাংশৰ পৰা বৰ্তমানৰ স্থিতি পাইছে। তেওঁ লগতে কয়, যে যোৱা বিত্তিয় বৰ্ষত ঘৰুৱা গেছৰ ব্যৱহাৰ দুই কোটি ২৬ লাখ মেট্ৰিকটন বৃদ্ধি পাইছে।

oooooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ন বজাত **মানসিক স্বাস্থ্য সমস্যা** বিষয় সন্দৰ্ভত ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য আৰু স্নায়ু বিজ্ঞান বিভাগৰ সঞ্চালক ডাঃ প্ৰতিমা মূৰ্তি আৰু অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান এইমছৰ মনোৰোগ বিশেষজ্ঞ ডাঃ ৰাজেশ সাগৰৰ সৈতে হোৱা এটা বিশেষ আলোচনা সম্প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি মানসিক স্বাস্থ্যৰ গুৰুত্ব, সন্মুখীন হোৱা সমস্যা আৰু এই সমস্যাৰ কেনেদৰে মুখামুখি হ'ব পৰা যায় এই সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব অথবা এক্স হেণ্ডেলত হেছটেক AskAir যোগেও প্ৰশ্ন সুধিব পাৰিব।

oooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগত অংশকালীন ব্ৰডকাষ্ট এছিছটেণ্ট নিয়োগৰ বাবে অহা ৫ ডিচেম্বৰ বৃহস্পতিবাৰে বাতৰি বিভাগৰ সঞ্চালকৰ কক্ষত এটা WALK-IN INTERVIEW অনুষ্ঠিত হ'ব। ২১ বছৰৰ পৰা ৪৫ বছৰ বয়সৰ স্নাতক প্ৰাৰ্থীয়ে এই সাক্ষাৎকাৰত অংশগ্ৰহণ কৰিব পাৰিব। প্ৰাৰ্থীৰ কম্পিউটাৰ বিষয়ক সম্যক জ্ঞান, আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠান সম্পৰ্কীয় সাধাৰণ জ্ঞান থকাৰ লগতে কণ্ঠ বাণীবন্ধন আৰু সম্পাদনাৰ জ্ঞান থাকিব লাগিব। প্ৰাৰ্থী গুৱাহাটী মহানগৰীৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত বাস কৰা হ'ব লাগিব। SOCIAL MEDIA অৰ্থাৎ সামাজিক মাধ্যমত কাম কৰাৰ অভিজ্ঞতা থকা প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হ'ব। এই

বিষয়ে বিশদ জানিবলৈ ইচ্ছুক প্ৰাৰ্থীসকলে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ৱেবছাইট www.newsonair.gov.in আৰু আকাশবাণীৰ জাননী ফলক চাব পাৰে।

০০০০০০০০

ঘূৰ্ণি বতাহ ফেংগলৰ প্ৰভাৱত হোৱা প্ৰবল বৰষুণৰ ফলত পুডুচেৰীত কমেও চাৰিজন লোকৰ মৃত্যু হৈছে। পুডুচেৰী প্ৰশাসনে জনোৱা মতে দুগৰাকী ব্যক্তি এটিয়াও সন্ধানহীন হৈ আছে। মুখ্যমন্ত্ৰী এন ৰাংগাছেমিয়ে ভুক্তভোগীসকলৰ প্ৰতিটো পৰিয়াললৈ ৫ লাখ টকাৰ এককালিন সাহায্য ঘোষণা কৰিছে। বৰষুণৰ ফলত হোৱা ক্ষয়ক্ষতিৰ জোৰা মৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় শাসিত অঞ্চলটোৰ প্ৰতিগৰাকী ৰেচন কাৰ্ড থকা ব্যক্তিক ৫ হাজাৰ টকাৰ সাহায্য দিয়াৰ কথাও ঘোষণা কৰিছে।

এই ঘূৰ্ণি বতাহৰ ফলত পুডুচেৰী, কাৰাইগল আৰু য়ানমৰ ১০ হেজাৰ হেক্টৰতকৈও অধিক কৃষি ভূমি নষ্ট হৈছে। চৰকাৰে ক্ষতিগ্ৰস্ত কৃষকসকলক প্ৰতি হেক্টৰৰ বিনিময়ত ৩০ হাজাৰ টকাকৈ ক্ষতিপূৰণ দিয়াৰ কথাও প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয়, যে প্ৰাথমিক প্ৰতিবেদনত ১০০ কোটি টকাৰ ক্ষয়-ক্ষতিৰ বাবে কেন্দ্ৰীয় চৰকাৰক বিত্তীয় সাহায্য আগবঢ়োৱাৰ বাবে অনুৰোধ জনোৱা হৈছে।  তেওঁ কৈছে যে, ৫৫১ গৰাকী ব্যক্তিক উদ্ধাৰ কৰি আশ্ৰয় শিবিৰত ৰখা হৈছে। এই সাহায্য আৰু উদ্ধাৰ অভিযানৰ বাবে চাৰি হাজাৰতকৈও অধিক দুৰ্যোগ সঁহাৰি বাহিনীৰ লোকক নিয়োগ কৰা হৈছে।

০০০০০০০০

ওমানৰ মাস্কটত চলি থকা পুৰুষৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ছেমিফাইনেল কাইলৈ ভাৰত আৰু মালয়েছিয়াৰ মাজত অনুষ্ঠিত হ'ব। মাস্কটৰ হকী ওমান ষ্টেডিয়ামত হ'বলগীয়া খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ পুল-এৰ এখন খেলত ভাৰতে কালি দক্ষিণ কোৰিয়াক ৮-১ গলৰ ব্যৱধানত পৰাস্ত কৰে। ভাৰতৰ অশ্বদ্বীপ সিঙে তিনিটা গল দি হেট্ৰিক কৰাৰ বিপৰীতে অৰিজিৎ সিঙে দুটা গল দিয়ে। গুৰজ্যোৎ সিং, ৰোচন কুজুৰ আৰু ৰোহিতে এটাকৈ গল দিয়ে। আনহাতে কোৰিয়াৰ হৈ টেহিয়ন কিমে একমাত্ৰ গলটো দিয়ে। প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেল পাকিস্তান আৰু জাপানৰ মাজত অনুষ্ঠিত হ'ব। অহা বুধবাৰে প্ৰতিযোগিতাৰ ফাইনেল খেল অনুষ্ঠিত হ'ব।

০০০০০০০০

সমাপ্ত